জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৬৩/২০২৩**

# ২১১৪ খন বিহু সমিতিলৈ এককালীন আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

### ভাতৃত্ববোধ আৰু সৌহাৰ্দৰ বাৰ্তা প্ৰচাৰৰ বাবে বিহু মঞ্চ ব্যৱহাৰ কৰক ঃ মুখ্যমন্ত্ৰী

### পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৬৬ গৰাকী প্ৰয়াত ঠিকাভিত্তিক কৰ্মচাৰীৰ প্ৰতিগৰাকী নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়ালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১২ এপ্ৰিল ঃ** অসমৰ ৰঙালী বিহু উদ্‌যাপন সমিতিসমূহৰ প্ৰতিখনলৈ ১.৫ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান উপলক্ষে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ ২,১১৪ খন বিহু উদ্‌যাপন সমিতিলৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। উল্লেখ্য যে যোৱা বছৰো সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত বিহু উদ্‌যাপন সমিতিসমূহলৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছিল।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমীয়া জাতিৰ আত্মবিশ্বাস, গৌৰৱ আৰু সাহসৰ সমাহাৰ হ'ল ব'হাগ বিহু। চহা জীৱনৰ সংস্কৃতিৰে বিধৌত বিহুৰ বৰ্ণিলৰূপে সকলোকে অনুপ্ৰাণিত কৰি আহিছে। বসন্তকালীন এই উৎসৱৰ লগত জড়িত আছে প্ৰকৃতিৰ সৈতে মানুহৰ আত্মিক সম্পৰ্ক, য'ত প্ৰতিফলিত হয় লোকজীৱনৰ বিভিন্ন ৰং। জীৱন যাত্ৰাৰ লগত কৃষ্টি-সংস্কৃতি ওতপ্ৰোতভাৱে জড়িত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যি জাতিৰ কৃষ্টি-সংস্কৃতি গতিশীল নহয়, সেই জাতিৰ জীৱন যাত্ৰাও স্থিৰ হয়। অসমীয়া জাতি যে গতিশীল সেই কথাৰ উমান পোৱা যায় ৰূপান্তৰমুখী বিহু সংস্কৃতিৰ জৰিয়তে। তেওঁ কয় যে প্ৰাচীন কালত বিহু আছিল গাঁৱৰ সম্পদ। প্ৰকৃতিৰ ৰম্যকাননত নদীৰ পাৰ অথবা পথাৰৰ মাজৰ প্ৰাকৃতিক পৰিৱেশত বিহু পৰিৱেশন কৰা হৈছিল। সংস্কৃতিৰ বোঁৱতি সোঁতত কালক্ৰমত বিহু পথাৰৰ গছৰ তলৰ পৰা মঞ্চলৈ আহিল বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ লগে লগে বিহুৰ স্পন্দন অন্যৰূপেৰে উদ্ভাষিত হৈ উঠে। মঞ্চই বিহুক দিলে সংস্কৃতিৰ মাজেৰে গণ সংযোগ সম্ভৱ কৰি তোলাৰ সাধনা। সেই নব্য পৰম্পৰা ৰক্ষা কৰি আজিও অসমত মঞ্চ বিহু উদ্‌যাপিত হৈ আছে। সেই উজ্জ্বল পৰম্পৰাৰ ধাৰক আৰু বাহক হিচাপে অসমত আজি প্ৰায়বোৰ অঞ্চলত মঞ্চ বিহু উদ্‌যাপন হৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে এই বিহুক সম্পূৰ্ণ শুদ্ধ ৰূপত কেনেকৈ জীয়াই ৰাখিব পৰা যায়, সেই বিষয়তো চিন্তা কৰাৰ প্ৰয়োজন আছে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিহু অসমৰ সৰ্ববৃহৎ উৎসৱ। ব'হাগ বিহুৰ সৈতে কৃষি কাৰ্যৰ আৰম্ভণি অথবা

উৰ্বৰতাৰ গভীৰ সম্পৰ্ক আছে। কৃষিজীৱী অসমীয়া উৎসৱ ব'হাগ বিহু অতীতত সাত দিনকৈ পালন কৰা হৈছিল। চ'তৰ সংক্ৰান্তিৰ পৰা ব'হাগৰ ৬ তাৰিখলৈ বিহু উদ্‌যাপন কৰা হৈছিল। সেইবাবে সাত বিহু হিচাপে অভিহিত কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে কয় যে জনগোষ্ঠীয় লোকসকলেও নিজা নিজা পৰম্পৰাৰে বিহু উদ্‌যাপন কৰে। বিহুৰ লগত বিহুৱান গামোচাখন জড়িত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গামোচাই স্বকীয় বৈশিষ্ট্যৰে অসমীয়া জাতিৰ সংস্কৃতিক প্ৰতিনিধিত্ব কৰে।

অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ গৌৰৱ আৰু প্ৰতিপত্তি পুনৰুজ্জীৱিত কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে যোৱা দুবছৰে নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নতুন প্ৰজন্মক নিজৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰিচয়ত নিহিত থকা গুৰুত্ব উপলব্ধি কৰিবলৈ আহ্বান জনায়। জনগোষ্ঠীয় ঐতিহ্যৰ বিষয়ে সঠিক জ্ঞানৰ অভাৱৰ বাবে নৱপ্ৰজন্মই প্ৰায়ে সামাজিক মাধ্যমত অপ্ৰাসংগিক বিষয়ৰ ওপৰত নিস্ফল বিতৰ্ক আৰু আলোচনাত জড়িত হোৱা দেখা যায় বুলি তেওঁ কয়।

বিহু সমিতিসমূহক নিজৰ মঞ্চসমূহ ব্যৱহাৰ কৰি ভাতৃত্ববোধ আৰু সৌহাৰ্দৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে সংমিশ্ৰিত অসমীয়া পৰিচয়ৰ ধাৰণাটো অধিক শক্তিশালীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে সেই লক্ষ্যৰ দিশত কাম কৰাৰ এটা উপায় হ'ল অসমীয়া ভাষাক মাতৃভাষা হিচাপে স্বীকৃতি দিয়া সকলে অসমীয়া ভাষাৰ লগতে জনজাতীয় ভাষা শিকিব লাগিব।

মুখ্যমন্ত্ৰীয়ে বিহু সমিতিসমূহৰ সদস্যসকলক বলপূৰ্বক চান্দা আদায়ৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তেওঁ আশা প্ৰকাশ কৰি কয় যে বিহু উদ্‌যাপন সমিতিসমূহে এতিয়াৰে পৰা নিজা বিহু উদ্‌যাপনৰ বাবে বৰঙণি সংগ্ৰহৰ পৰা বিৰত থাকিব। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে অহা বছৰৰ পৰা অসম চৰকাৰে মধ্য যুগৰ পৰা প্ৰচলিত সাত বিহু সংস্কৃতিক পুনৰুজ্জীৱিত কৰাৰ বাবে উদ্যোগ ল'ব।

আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, কাৰ্বি আলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক পৰামনন্দ ৰাজবংশী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক বিভাগৰ সঞ্চালক মীনাক্ষী দাস নাথ, বিভিন্ন বিহু কমিটিৰ পৰা অহা বিষয়ববীয়া আৰু অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ৬৬ গৰাকী প্ৰয়াত ঠিকাভিত্তিক কৰ্মচাৰীৰ প্ৰতিগৰাকী নিকটাত্মীয়ক ৫ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়ায়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৮ চনত ঠিকাভিত্তিক মৃত কৰ্মচাৰীক আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্তই সমাজৰ সকলো শ্ৰেণীৰ সৰ্বাংগীন বিকাশৰ প্ৰতি থকা ৰাজ্য চৰকাৰ দায়বদ্ধতাৰ কথাকে সূচাইছে। তেওঁ আশা প্ৰকাশ কৰি কয় যে এককালীন আৰ্থিক সাহায্যই ঠিকাভিত্তিক মৃত কৰ্মচাৰীসকলৰ আত্মীয়সকলক কিছু পৰিমাণে হ'লেও সকাহ প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক আজি এককালীন আৰ্থিক সাহায্য লাভ কৰা পৰিয়ালসমূহক অৰুণোদয়

আঁচনিৰ অধীনত সামৰি লোৱাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে ২০১৮ চনত ৰাজ্যৰ বিত্ত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে এই আঁচনিখন লোৱাৰ ক্ষেত্ৰত পদক্ষেপ লৈছিল। তেওঁ কয় যে মৃত কৰ্মচাৰীসকলে তেওঁলোকৰ কাৰ্যকালৰ সময়ছোৱাত আগবঢ়োৱা সেৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশৰ চিনস্বৰূপে এই আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। তেওঁ লগতে কয় যে আগন্তুক সময়ছোৱাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত কাম কৰি থকা ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ আশা-আকাংক্ষা পূৰণৰ দিশতো পদক্ষেপ গ্ৰহণ কৰা হ'ব।

**অঃহাঃ / পুঃডেঃ**
**১২/৪/২০২৩**